# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date : 16-06-2026**
**Time : 1:40 PM**

## ASSAMESE 1.40 PM BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী শ্লোভাকিয়াৰ পৰা ফ্ৰান্সলৈ ৰাওনা হৈছে।

২। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি ঘোষণা কৰিছে।

৩। ওমানৰ উপকূলত হোৱা শোকাবহ সামুদ্ৰিক দুৰ্ঘটনাৰ পাছত এমটি চেতেবেলো নামৰ জাহাজখনৰ পৰা ২১ গৰাকী ভাৰতীয় কৰ্মী দলৰ সদস্য নিৰাপদে ঘৰলৈ উভতি আহিছে।

৪। নাগালেণ্ডত আজিৰে পৰা লোকপিয়ল ২০২৭ ৰ প্ৰথম পৰ্যায় আৰম্ভ হৈছে। ***আৰু***

৫। ভাৰতে নিউজিলেণ্ডৰ অকলেণ্ডত অনুষ্ঠিত মহিলাৰ এফ আই এইচ হকী নেচনচ্ কাপৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

oooo

জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী শ্লোভাকিয়াৰ পৰা ফ্ৰান্সলৈ ৰাওনা হৈছে। শ্ল'ভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিক'ৰে প্ৰধানমন্ত্ৰী মোদীক ব্ৰাটিশ্লাভাত বিদায় সম্ভাষণ জনায়। ফ্ৰান্সত উপস্থিত হোৱাৰ পাছতে দেশখনৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰই প্ৰধানমন্ত্ৰীগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনাব।

এই সন্মিলনত প্ৰধানমন্ত্ৰীগৰাকীয়ে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতা, সহযোগী দেশসমহূৰ নেতৃবৃন্দ আৰু বিশ্ব বেংক তথা আফ্ৰিকান উন্নয়ন বেংকৰ প্ৰতিনিধিবৰ্গৰ সৈতে **নতুন সহযোগিতা গঢ়ি তোলা আৰু আন্তঃৰাষ্ট্ৰীয় সংহতিৰ পুনৰ বিকাশ** শীৰ্ষক এখন কৰ্মশালাত অংশ ল'ব।

সন্মিলনৰ আপাহতে শ্ৰী মোদীয়ে কানাডা, ব্ৰিটেইন আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ লোৱাৰ কথা আছে। ইয়াৰ পাছত তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে অতিথিসকলৰ সন্মানাৰ্থে আয়োজন কৰা নৈশ ভোজমেলত উপস্থিত থাকিব। উল্লেখযোগ্য যে, চলিত সন্মিলনকে ধৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এতিয়ালৈ একেলেথাৰিয়ে সপ্তমবাৰৰ বাবে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত অংশগ্ৰহণ কৰিছে।

oooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি ঘোষণা কৰিছে। কালি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰি তেওঁ এইকথা ঘোষণা কৰে। তেওঁ কয়, যে ১৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰ উত্তৰ-পূবৰ আন্তঃগাঁথনি ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। এই কৰিডৰে শ্বিলং আৰু শিলচৰৰ মাজত যাত্ৰাৰ সময় ৫০ শতাংশ হ্ৰাস কৰাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতে যোগাযোগ শক্তিশালী কৰি তুলিব বুলি তেওঁ কয়। ইয়াৰ ফলত পৰ্যটন আৰু পৰিবহণ খণ্ডত উন্নয়ন হোৱাৰ লগতে অঞ্চলটোৰ সৰ্বাত্মক বিকাশ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰী গাডকাৰীয়ে ৮ হাজাৰ ৫০০ কোটি টকা

ব্যয়সাপেক্ষ প্ৰস্তাৱিত, চাৰিটা লেনযুক্ত গ্ৰীণফিল্ড-যোৰাবাট-বৰাপানী কৰিডৰৰ বিষয়েও উল্লেখ কৰে। ৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰে গুৱাহাটী আৰু শ্বিলঙৰ মাজত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে মহানগৰ দুখনৰ মাজত যাত্ৰাৰ সময় আঢ়ৈ ঘণ্টাৰ পৰা এঘণ্টালৈ হ্ৰাস কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেঘালয়ত ৩৯ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ ৪৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কথাও ঘোষণা কৰে। সন্মিলনত তেওঁ ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মেঘালয়ৰ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি বিকাশ ক্ষেত্ৰত দিয়া গুৰুত্বৰ বিষয়ে উল্লেখ কৰে।

০০০০

অহা ২১ জুনত পুনৰ হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা-NEET২০২৬ৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ২২ জুন পৰ্যন্ত 'টেলিগ্ৰাম' নামৰ সামাজিক মাধ্যমৰ এপ্লিকেচন আৰু অনলাইন বাৰ্তা প্ৰেৰণ নিষিদ্ধ কৰিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA-ৰ বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে এই সময়ছোৱাৰ বাবে টেলিগ্ৰাম নিষিদ্ধ কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। NTA-ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই সামাজিক মাধ্যমবিধৰ জৰিয়তে ইতিমধ্যে প্ৰেৰণ কৰা বাৰ্তা ৩০ জুন পৰ্যন্ত সম্পাদনা কৰাৰ ব্যৱস্থা নাৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ ফলত পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা ৰোধ কৰাত সহায় হ'ব বুলি আশা কৰা হৈছে। NTA-ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই ছ'চিয়েল মিডিয়া এপ্লিকেচনটোৰ পূৰ্বে অসাধু উপায়েৰে ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখি আৰু শিক্ষাৰ্থীসকলৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত লৈছে। ইয়াৰ আগেয়ে কালি কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে স্নাতক পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে পুনৰবাৰ হ'বলগীয়া নীট পৰীক্ষাৰ নিৰাপত্তা তথা প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। তেওঁ পৰীক্ষাৰ্থীসকলৰ সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ সংহতিত বিশেষ গুৰুত্ব প্ৰদান কৰি ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা-নীটৰ প্ৰৱেশ পত্ৰ মুকলি কৰিছে। পৰীক্ষাৰ্থীসকলে NTA-ৰ ৱেবছাইট neet.nta.nic.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। ২১ জুনত দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০

ওমানৰ উপকূলত হোৱা শোকাবহ সামুদ্ৰিক দুৰ্ঘটনাৰ পাছত এমটি চেতেবেলো নামৰ জাহাজখনৰ পৰা ২১ গৰাকী ভাৰতীয় কৰ্মী দলৰ সদস্য নিৰাপদে ঘৰলৈ উভতি আহিছে। ওমানৰ মাচকাটত থকা ভাৰতীয় দূতাবাসৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি তাত থকা ভাৰতীয় ৰাষ্ট্ৰদূতগৰাকীয়ে জাহাজৰ পৰা উদ্ধাৰ কৰা সদস্যসকলৰ সৈতে বাৰ্তালাপ কৰে। ৰাষ্ট্ৰদূতগৰাকীয়ে সদস্যসকলক শুভেচ্ছা জনোৱাৰ লগতে কঠিন সময়ত জাহাজৰ সদস্যসকলে দেখুওৱা দৃঢ় মনোবলৰ শলাগ লয়। দূতাবাসে ভাৰতীয় নাগৰিকসকলৰ কল্যান আৰু নিৰাপত্তা সন্দৰ্ভত নিজৰ প্ৰতিশ্ৰুতিদ্ধতাৰ কথা দোঁহাৰে।

উল্লেখযোগ্য যে এমটি চেতেবেলো নামৰ পালাওৰ পতাকা চিহ্নিত জাহাজখন উভতি অহাৰ বাটত ওমানৰ চোহাৰ উপকূলত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটোৰ পাছতে ওমানৰ সামুদ্ৰিক নিৰাপত্তা কেন্দ্ৰই ততালিকে ওমানি কৰ্তৃপক্ষক অৱগত কৰে আৰু উদ্ধাৰ তথা সাহায্য অভিযানৰ আহ্বান জনায়। এই অভিযানৰ জৰিয়তে ২১ গৰাকী ভাৰতীয় জাহাজ দলৰ সদস্যক সফলতাৰে উদ্ধাৰ কৰা হয় যদিও এই শোকাবহ আক্ৰমণৰ ঘটনাত ৩ গৰাকীকৈ ভাৰতীয় নাবিকৰ মৃত্যু হয়।

oooo

নাগালেণ্ডত আজিৰে পৰা লোকপিয়ল ২০২৭ ৰ প্ৰথম পৰ্যায় আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী নেইফিঅ' ৰিঅই ৰাজ্যখনৰ নাগৰিকসকলক এই  লোকপিয়ল কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সঠিক জনসংখ্যা তথ্যৰ গুৰুত্বত আলোকপাত কৰি মুখ্যমন্ত্ৰী শ্ৰীৰিঅ'ই কয় যে ভৱিষ্যত প্ৰজন্মক উপকৃত কৰিবলৈ সঠিক পৰিকল্পনা, কাৰ্যকৰী প্ৰশাসন আৰু নীতি প্ৰনয়নৰ বাবে ব্যাপক লোকপিয়ল তথ্য অতি গুৰুত্বপূৰ্ণ।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই প্ৰক্ৰিয়াত পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিবলৈ আনকো উৎসাহিত কৰাৰ বাবে জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। স্বগণনা প্ৰক্ৰিয়া অহা ৩০ জুনলৈ আৰু ক্ষেত্ৰ গণনা পহিলা জুলাইৰ পৰা ৩০ জুলাইলৈ অব্যাহত থাকিব।

oooo

চিকাগোত থকা ভাৰতৰ বাণিজ্যিক দূতাবাসত আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰাই স্বামী বিবেকানন্দৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰে। সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰী কোৱাট্ৰাই কয়, যে সাৰ্বজনীন সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত স্বামী বিবেকানন্দৰ বাণীসমূহে সদায়ে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এইজন মহান ব্যক্তিৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পাই গৌৰৱান্বিত বুলি শ্ৰী কোৱাট্ৰাই প্ৰকাশ কৰে। বিশ্বজুৰি বেদান্ত আৰু যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা লোৱা দাৰ্শনিক, চিন্তাবিদ স্বামী বিবেকানন্দ ১৮৯৩ চনত চিকাগোত অনুষ্ঠিত বিশ্ব ধৰ্ম সন্মিলনত দিয়া ভাষণৰ বাবে অধিক জনাজাত বুলি তেওঁ উল্লেখ কৰে।

oooo

চলিত ফিফা বিশ্বকাপ ফুটবলৰ যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই ড্ৰ ৰূপে সমাপ্ত হয়। মিয়ামিত হোৱা গ্ৰুপ-এইচৰ খেলত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে চৌদি আৰবৰ লগত ১-১ গ'লত ড্ৰ খেলাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন খেলত প্ৰথমবাৰৰ বাবে  প্ৰতিযোগিতাত  অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে। ইফালে গ্ৰুপ-জিৰ বেলজিয়াম আৰু ইজিপ্তৰ মাজৰ খেলখনো ১-১ গ'লত ড্ৰ হয়।

এই গ্ৰুপৰে আজি পুৱা অনুষ্ঠিত ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'লত ড্ৰ হয়।

বিশ্বকাপৰ আজি হ'বলগীয়া খেলত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত দুবাৰৰ চেম্পিয়ন ফ্ৰান্স ছেনেগালৰ মুখামুখি হ'ব। পুৱতি নিশা চাৰে তিনি বজাত ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooo

সমাপ্ত